জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

ortal : www.dainikjanambhumi.com // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

বছৰ, সংখ্যা ৯৯ ● মঙলবাৰ ● ২৯ আঘোণ ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Tuesday December 16, 2025 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁৱৰ পৰা প্ৰকাশিত ● মূল্য ঃ ৯ ট

Rengon
জিলিকাওঁ লুইতৰ পা

NE NEWS

আজৰ
য়াজন

টেঙাখাত কাছ
ভাৰ দ্বাৰা ১৪
এখন ৰাজহুৱা
কুৰ্মি সমাজৰ
ডিব্ৰুগড় জিলা
ও কুৰ্মি সমাজ,
২৬ বৰ্ষৰ ২১
ক সমাৰোহৰ
ক্ত সাংস্কৃতিক
ভৰত কুৰ্মিক
এক অভ্যৰ্থনা
ম্পাদক জগৎ
হৰিৎ কুৰ্মিয়ে।
লা কুৰ্মি সমাজৰ
াহৰ ২৪ আৰু
ৰু মেঘজ্যোতি
। জিলা সমিতি
কৰিছে।

## বাণীপুৰ সাহিত্য সভাৰ ৰূপালী জয়ন্তী সমাৰোহ সম্পন্ন ঃ স্মৃতিগ্ৰন্থ উন্মোচন




লাহোৱাল ঃ নিজা সংবাদদাতা, ১৫ ডিচেম্বৰ ঃ অসম সাহিত্য সভাৰ বাণীপুৰ শাখা সাহিত্য সভাৰ ৰূপালী জয়ন্তী বৰ্ষ ১৩ আৰু ১৪ ডিচেম্বৰত উদ্‌যাপন কৰা হয়। প্ৰথম দিনা চাফাই অভিযান, পতাকা উত্তোলন, স্মৃতি তৰ্পণ, মঞ্চ মুকলিৰ লগতে 'আকাশ', 'ৰামধেনু' আৰু 'কুঁহি' অনুষ্ঠানৰ অন্তৰ্ভুক্ত হিচাপে বিয়ানাম, উৰুলি, কবিতা আবৃত্তি, চিত্ৰাংকণ, আকস্মিক বক্তৃতা, সাধু কোৱা প্ৰতিযোগিতা অনুষ্ঠিত হয়। দ্বিতীয় দিনা বাণীপুৰৰ মহিলাসকলৰ দ্বাৰা পৰিৱেশিত 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে অনুষ্ঠান আৰম্ভ হয়। ইয়াৰ পাছতে অনুষ্ঠিত 'অসমীয়া ভাষা-সাহিত্যৰ ভৱিষ্যৎ আৰু প্ৰত্যাহ্বান' শীৰ্ষক আলোচনা চক্ৰ সঞ্চালনা কৰে সাহিত্যাচাৰ্য ড° কৰবী ডেকা হাজৰিকাই আৰু আলোচক হিচাপে উপস্থিত থাকে তিনিচুকীয়া ৱিমেনজ কলেজৰ অধ্যাপক ড° কৰবী বৰুৱা গগৈ। দুয়োগৰাকীয়ে অসমীয়া ভাষাৰ মূল কালিকাটো ৰক্ষা কৰাৰ দিশত সকলোকে গুৰুত্ব দিবলৈ আহ্বান কৰে। ইয়াৰ পাছত অনুষ্ঠিত হয় মুকলি সভা। মুকলি সভাৰ সভাপতিত্ব কৰে বাণীপুৰ শাখা সাহিত্য সভাৰ সভাপতি অজয় কুমাৰ দত্তই। সভাপতিৰ অভিভাষণত বাণীপুৰৰ ইতিহাস আৰু সমাজ-সংস্কৃতিৰ সন্দৰ্ভত আলোকপাত কৰে। সভাত মুখ্য অতিথি হিচাপে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে বক্তব্যৰে সকলোকে আপ্লুত কৰে। তেওঁ অসম সাহিত্য সভাৰ ভৱিষ্যৎ কাৰ্যপন্থা, ভাষা-সাহিত্যৰ সাম্প্ৰতিক স্থিতি আদি দিশত মত প্ৰকাশ কৰি ৰূপালী জয়ন্তী উদ্‌যাপন কৰা বাণীপুৰ শাখা সাহিত্য সভাক অভিনন্দন জনায় আৰু শুভেচ্ছা জ্ঞাপন কৰে। মুকলি সভাত অসম সাহিত্য সভাৰ শতবৰ্ষীয় শিৱসাগৰ অধিৱেশনৰ সভাপতি পদ্মশ্ৰী প্ৰহ্লাদ চন্দ্ৰ তাছা, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি বদন গগৈ, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কৃষ্ণকান্ত বৰা, বিশিষ্ট শিশু সাহিত্যিক প্ৰসেনজিৎ কুমাৰ গোস্বামী, অনিৰুদ্ধদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰ, ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য নোমল গগৈ, অসম সাহিত্য সভাৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য পৰমেশ্বৰ নলবৰীয়া উপস্থিত থাকি বক্তব্য আগবঢ়ায়। সভাতে বাণীপুৰ শাখা সাহিত্য সভাৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ লগত সংগতি ৰাখি স্মৃতিগ্ৰন্থ 'বাণী সৌৰভ'ৰ লগতে ঝৰ্ণা শইকীয়া আৰু বিষ্ণু গোহাঁইৰ দুখন গ্ৰন্থ ড° বসন্ত কুমাৰ গোস্বামীয়ে উন্মোচন কৰে। সভাৰ শেষত সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে শাখা সভাৰ সম্পাদক ড° দিব্যজ্যোতি বৰাই। বাণীপুৰ শাখা সাহিত্য সভাৰ সভাপতি অজয় কুমাৰ দত্তই মঞ্চ উন্মোচন কৰাৰ লগে লগে সাংস্কৃতিক সন্ধিয়াৰ শুভাৰম্ভ হয় বাণীপুৰ মহিলা সমিতিৰ সভানেত্ৰী উষা দত্তই কৰা বন্তি প্ৰজ্বলনেৰে। ইয়াৰ পাছত বৰগীত, আলেখ্য, জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, দলীয় আৰু একক নৃত্য, স্থানীয় শিল্পীৰ গীতৰ শৰাই আদিয়ে সাংস্কৃতিক সন্ধিয়া জীপাল কৰি তোলে।

১৫ ডিচেম্বৰত ... বাৰ্ষিকী উদ্‌যাপনৰ